# সাহসিকতা

## অসমীয়া

**প্ৰশ্ন ১ : উত্তৰ লিখা :**

**(ক) জুলু আৰু দুলুৰ ঘৰ ক’ত আছিল ?**

**উত্তৰ :** কাজিৰঙা অভয়াৰণ্যৰ ওচৰৰে এখন গাঁৱত আছিল।

**(খ) জুলু আৰু দুলুৱে কেনেকৈ পহুৰ পোৱালিটো দেখা পাইছিল?**

**উত্তৰ:** জুলু আৰু দুলুৱে ধপাংকৈ হোৱা এটা শব্দত উচাপ্ খাই উঠিছিল। শব্দটো অনুসৰণ কৰিদ হোলাটোৰ ওচৰলৈ গৈ সিহঁতে দেখিবলৈ পাইছিল যে পানী আৰু মেটেকাৰে উপচি থকা হোলাটোত পৰি পহুৰ পোৱালিটোৱে কবকাই আছে।

**(গ) জুলু আৰু দুলুৱে কেনেকৈ পহুৰ পোৱালিটো পানীৰ পৰা উদ্ধাৰ কৰিছিল? উদ্ধাৰ কৰি পোৱালিটো ক’ত গতাই দিছিল ?**

**উত্তৰ :** জুলু আৰু দুলুৱে দ হোলাটোৰ পানীলৈ নামি গৈ মেটেকা গুচাই পোৱালিটো দাঙি পাৰলৈ তুলি আনি উদ্ধাৰ কৰিছিল। সিহঁতে পহুৰ পোৱালিটো ওচৰত থকা বন বিষয়াৰ কাৰ্যালয়ত গতাই দিছিল।

**(ঘ) জুলু আৰু দুলুক কি কামৰ বাবে কোনে পুৰস্কৃত কৰিছিল ?**

**উত্তৰ :** সাহসিকতাৰ বাবে জিলা কৰ্তৃপক্ষই জুলু আৰু দুলুক পুৰস্কৃত কৰিছিল ।

**প্ৰশ্ন ২: তলৰ বাক্যবোৰ শুদ্ধকৈ সজোৱা :**

**(ক) উচাপ্ খাই ধপংকৈ শব্দত হোৱা জুলু আৰু দুলু উঠিল।**

**উত্তৰ :** ধপংকৈ হোৱা শব্দত জুলু আৰু দুলু উচাপ্ খাই উঠিল।

**(খ) পানী আৰু হোলাটো আছিল উপচি মেটেকাৰে।**

**উত্তৰ :** হোলাটো পানী আৰু মেটেকাৰে উপচি আছিল।

**(গ) আনোগৈ তুলি পানীৰ পৰা পোৱালিটো ব’লা ।**

**উত্তৰ :** পোৱালিটো পানীৰ পৰা তুলি আনোগৈ ব’লা।

**(ঘ) গতাই পোৱালিটো বনবিষয়াক দিলেগৈ।**

**উত্তৰ :** পোৱালিটো বন বিষয়াক গতাই দিলেগৈ।

**প্ৰশ্ন ৩ : তলৰ শব্দকেইটাৰ দ্বাৰা বাক্যবোৰ সম্পূৰ্ণ কৰা :**

**ককবাকাই, ছট্‌ফটাই, দপ্‌দপাই, ধৰ্ফৰাই, ফুচফুচাই।**

**(ক) জুইকুৰা …………..জ্বলিছে।**

**উত্তৰ :** জুই কুৰা দপদপাহ জ্বলিছে।

**(খ) পেটৰ বিষত ল’ৰাটো…………আছে।**

**উত্তৰ :** পেটৰ বিষত ল’বাটো ছটফটাই আছে।

**(গ) গৰমত মানুহজন………….ফুৰিছে।**

**উত্তৰ :** গৰমত মানুহজন ধৰফৰাই ফুৰিছে।

**(ঘ) পানীত পৰি ছাগলীজনীয়ে।**

**উত্তৰ :** পানীত পৰি ছাগলীজনীয়ে ককবকাই আছে।

**(ঙ) ছোৱালী দুজনীয়ে কথা পাতিছে।**

**উত্তৰ :** ছোৱালী দুজনীয়ে ফুচফুচাই কথা পাতিছে।

**প্ৰশ্ন ৪ : বিপৰীত অৰ্থ বুজোৱা শব্দ লিখা :**

**তৎক্ষণাৎ শকত, চুটি, সুখ, পোহৰ।**

**উত্তৰ :**

| | |
|---|---|
| তৎক্ষণাৎ | লাহে-ধীৰে |
| শকত | ক্ষীণ |
| চুটি | দীঘল |
| সুখ | দুখ |
| পোহৰ | আন্ধাৰ |

**প্ৰশ্ন ৫ : তলত দিয়া শব্দবোৰৰ অৰ্থ লিখা :**

**হোলা, অভয়াৰণ্য, সুগৰী, উচাপ, উৎকণ্ঠা, আলচ, উপচি**

**উত্তৰ :**

| | |
|---|---|
| হোলা | অলপ পানী থকা আহল-বহল দ ঠাই। |
| অভয়াৰণ্য | বনৰীয়া পশু-পক্ষীৰ বাবে সংৰক্ষিত অঞ্চল। |
| সুগৰী | ছাগলীৰ নিচিনা এবিধ সৰু পহু, খটীয়া পহু। |
| উচাপ | চক্ খাই উঠা, অকস্মাৎ ভয় পাই মৰা গাৰ জোকাৰ। |
| উৎকণ্ঠা | উত্তল-থুগুল, চিন্তা-ভাৱনা। |
| আলচ | আলোচনা, পৰামৰ্শ কৰা। |
| উপচি | বেছি হোৱা, প্ৰচুৰ। |